জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২১/২০২১

# মুখ্যমন্ত্ৰীয়ে ফ্লেগ অফ কৰি শুভাৰম্ভ কৰিলে মহানগৰীৰ মহিলা আৰু জ্যেষ্ঠ নাগৰিকৰ বাবে সম্পূৰ্ণ বিনামূলীয়া বাছ সেৱাৰ

## বিনামূলীয়া সেৱাৰ এই বাছসমূহৰ যত্ন দায়িত্ব সহকাৰে ল'বলৈ মুখ্যমন্ত্ৰীৰ আহ্বান

**দিছপুৰ, ৯ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি অসম চৰকাৰৰ অভিনৱ আঁচনি 'ভ্ৰমণ সাৰথি'ৰ অধীনত গুৱাহাটী মহানগৰীৰ মহিলা আৰু জ্যেষ্ঠ নাগৰিকসকলৰ বাবে সম্পূৰ্ণ বিনামূলীয়া বাছ সেৱাৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। উল্লেখ্য যে এই সেৱাৰ অধীনত ২৫ খন বাছ অন্তৰ্ভূক্ত কৰা হৈছে। খানাপাৰাস্থিত অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয় চৌহদৰ পৰা এই বিশেষ বাছ সেৱাৰ 'ফ্লেগ অফ' কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে গুৱাহাটী মহানগৰীত পোন প্ৰথমবাৰৰ বাবে আৰম্ভ কৰা এই বিনামূলীয়া পৰিবহন ব্যৱস্থাই আমাৰ জ্যেষ্ঠ নাগৰিকসকলৰ লগতে মহিলাসকলৰ যাতায়াতৰ ক্ষেত্ৰত বিশেষ সকাহ প্ৰদান কৰিবলৈ সক্ষম হ'ব। এই বাছৰ সেৱা বিনামূলীয়া যদিও সকলোকে দায়ৱদ্ধতা আৰু দায়িত্ব সহকাৰে এই বাছসমূহৰ যত্ন ল'বলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। ক'ভিড-১৯ অতিমাৰীৰ সময়ত ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগৰ লগতে পৰিবহন বিভাগে জনসেৱাৰ বাবে গ্ৰহণ কৰা ভূমিকাৰ শলাগ লৈ মুখ্যমন্ত্ৰীয়ে কয় যে সেই সময়ছোৱাত ৰাজ্যখনৰ লগতে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চল আৰু দেশৰ বিভিন্ন প্ৰান্তৰ পৰা অত্যাৱশ্যকীয় সামগ্ৰী, ঔষধ, শাক-পাচলি, ফল-মূল পৰিবহনৰ ক্ষেত্ৰত অসম ৰাজ্যিক পৰিবহন নিগমে অনৱদ্য ভূমিকা পালন কৰিছিল। লক্‌ডাউনৰ ফলত বিভিন্ন প্ৰান্তত আৱদ্ধ হৈ থকা লোকসকলক স্বগৃহলৈ ওভতাই অনাৰ ক্ষেত্ৰত পৰিবহন বিভাগৰ সেৱাৰ বিষয়ে আমি সকলোৱে অৱগত। এই সময়ছোৱাত বিভাগটোৱে ১.৭৮ লাখ খন যান-বাহন চলাচল কৰিবলগীয়া হৈছিল বুলি উল্লেখ কৰি এই অভূতপূৰ্ব সেৱাৰ বাবে মুখ্যমন্ত্ৰীয়ে পৰিবহন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, পৰিবহন বিভাগৰ লগতে অসম ৰাজ্যিক পৰিবহন নিগমৰ বিষয়ববীয়াসকল আৰু চালক-হেণ্ডিমেনকে ধৰি সকলো বিষয়া-কৰ্মচাৰীৰ প্ৰতি ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।

মুখ্যমন্ত্ৰীয়ে কয় যে বিজেপি নেতৃত্বাধীন ৰাজ্য চৰকাৰখনৰ বিগত চাৰে চাৰি বছৰীয়া কাৰ্যকালত ৰাজ্যবাসীয়ে আগবঢ়োৱা সহযোগিতাৰ বাবে ৰাজ্যৰ বুকুলৈ আজি শান্তি ঘূৰি আহিছে, সমন্বয় সম্ভৱ হৈছে। শান্তি প্ৰতিষ্ঠা হ'লে মানুহে মুক্ত মনে পৰিশ্ৰম কৰিবলৈ উদ্বুদ্ধ হয়। ৰাজ্যখনৰ কৃষক, শ্ৰমিক, কৰ্মচাৰী, উদ্যোগী আদি সকলোৱে নতুন উদ্যমেৰে নিজ নিজ কৰ্মক্ষেত্ৰত আত্মনিয়োগ কৰাৰ ফলত ৰাজ্যখনৰ কৰ্ম সংস্কৃতিয়ে নতুন মাত্ৰা লাভ কৰিছে। ইংৰাজী নতুন বছৰৰ এই আৰম্ভণিতে অসম ৰাজ্যিক পৰিবহন নিগমে আৰম্ভ কৰা আজিৰ এই নতুন আঁচনিয়ে চৰকাৰখনৰ কল্যাণমুখী পদক্ষেপসমূহক এক নতুন মাত্ৰা প্ৰদান কৰিলে বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি পৰিবহন, উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে কয় যে মুখ্যমন্ত্ৰী সোণোৱালৰ ইচ্ছা অনুসৰিয়ে পৰিবহন বিভাগে মহিলা আৰু বয়োজ্যেষ্ঠসকলৰ বাবে এই গোলপীয়া বাছ সেৱা প্ৰৱৰ্তনৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই ব্যৱস্থাই মহানগৰীৰ মহিলা আৰু জ্যেষ্ঠ নাগৰিকসকলৰ নিৰাপদ আৰু আৰামদায়ক যাতায়াত সম্ভৱ কৰি তুলিব বুলি মন্ত্ৰীগৰাকীয়ে কয়।

গুৱাহাটী মহানগৰীৰ মহিলা আৰু জ্যেষ্ঠ নাগৰিকসকলৰ বাবে আৰম্ভ কৰা এই বিশেষ বাছ সেৱাই তেওঁলোকৰ বাবে নিৰাপদ আৰু আৰামদায়ক ভ্ৰমণ সম্ভৱ কৰি তোলাৰ লগতে ব্যক্তিগত যান-বাহনৰ সলনি ৰাজহুৱা পৰিবহন ব্যৱহাৰতো উদগণি যোগাব। গোলপীয়া ৰঙৰ এই বাছসমূহ গুৱাহাটী মহানগৰীৰ ৫ টা ব্যস্ততম পথত সমগ্ৰ দিনটোৰ বাবে চলাচল কৰিব। এই পথ কেইটা হৈছে — খানাপাৰাৰ পৰা পল্টন বজাৰ হৈ জালুকবাৰীলৈ, ফৰেষ্ট গেটৰ পৰা চান্দমাৰী হৈ জালুকবাৰীলৈ, বশিষ্ঠ মন্দিৰৰ পৰা পল্টন বজাৰ হৈ জালুকবাৰীলৈ, খানাপাৰাৰ পৰা ৰাষ্ট্ৰীয় ঘাইপথ তথা আই এছ বি টি হৈ জালুকবাৰীলৈ আৰু গেমছ্ ভিলেজ (ভেটাপাৰা) ৰ পৰা পল্টন বজাৰ হৈ জালুকবাৰীলৈ।

আজিৰ এই অনুষ্ঠানত অসম ৰাজ্যিক পৰিবহন নিগমৰ অধ্যক্ষ অশোক ভট্টৰায়, উপাধ্যক্ষ হৰিচৰন বড়ো, অসম বিত্ত নিগমৰ অধ্যক্ষ বিজয় কুমাৰ গুপ্তা, মুখ্যমন্ত্ৰীৰ অতিৰিক্ত মুখ্য সচিব পৱন কুমাৰ বৰঠাকুৰ, মুখ্যমন্ত্ৰীৰ বিশেষ আয়ুক্ত ৰঞ্জন চক্ৰৱৰ্ত্তী, পৰিবহন বিভাগৰ আয়ুক্ত সচিব ড° কে কে দ্বিৱেদী, অসম ৰাজ্যিক পৰিবহন নিগমৰ পৰিচালন সঞ্চালক আনন্দ প্ৰকাশ তিৱাৰীৰ লগতে বিভাগটোৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

**প্ৰঃকুঃবঃ**
**৯/০১/২০২১**